# পশুধনৰ সুস্বাস্থ্য ৰক্ষাৰ কিছু দিহা

বৰ্দ্ধিত জনবিস্ফোৰণৰ ফলত আমাৰ দেশত জনমূৰি কৃষি ভূমিৰ পৰিমাণ ক্ৰমাত হ্ৰাস পাই আহিছে। গ্ৰামাঞ্চলৰ এই সীমিত মাটিত পশু পালনেই জীৱিকাৰ একমাত্ৰ নিৰ্ভৰযোগ্য ব্যৱস্থা হিচাপে চিহ্নিত হৈছে। নিৰোগী, গৰু, ম'হ, ছাগলী কেইটা পৰিয়ালৰ সাঁচতীয়া ধন সদৃশ। ইয়ে প্ৰতিজনৰ মনত আত্মবিশ্বাস আৰু অৰ্থ সুৰক্ষাৰ ভাব প্ৰদান কৰে। পিচে এই মূল্যবান পোহনীয়া জীৱ-জন্তুবোৰ বিভিন্ন ৰোগত আক্ৰান্ত হৈ বহু সময়ত মৃত্যু মুখত পৰে নতুবা উৎপাদিকা শক্তি হেৰুৱাই। আমাৰ পশু পালকসকলে স্বাস্থ্য ৰক্ষাৰ খুটি-নাটি ব্যৱস্থা কেইটা গুৰুত্ব সহকাৰে প্ৰয়োগ কৰিলে পশুপালনত হোৱা অবাঞ্চিত লোকচানৰ পৰা সহজে হাত সাৰি থাকিব পাৰে।

**স্বাস্থ্য ৰক্ষা দিহাসমূহ ঃ**

**পেলুৰ আক্ৰমণৰ পৰা মুক্ত ৰখা ঃ** অসমত জলবায়ুত সকলো ধৰণৰ জীৱ-জন্তু পেলুৰ দ্বাৰা আক্ৰান্ত হয়। সেয়েহে সময়ে সময়ে গোবৰ পৰীক্ষা কৰি নিৰ্বাচিত পেলুৰ ঔষধ সকলো বয়সৰ গৰু, ম'হ, ছাগলীক নিৰ্দ্ধাৰিত সময়ৰ ব্যৱধানত খুৱাব লাগে।

**বহিঃ পৰজীৱিৰ আক্ৰমণৰ পৰা মুক্ত ৰখা ঃ** চিকৰা, চাহি, ওকনি, মহ আদিয়ে গৰু-ম'হৰ বিভিন্ন ৰোগ বিয়পাৰ উপৰিও স্বাস্থ্যৰ অধিক ক্ষতি সাধন কৰে। উৎপাদিকা শক্তিও হ্ৰাস পায়। সেয়েহে চৰণীয়া অঞ্চলৰ মাজে মাজে হাল বাই নতুবা জুই জ্বলাই পৰজীৱিৰ বাসস্থান ধ্বংশ কৰিব লাগে। গৰু, ম'হ, ছাগলী একে ঠাইতে সদায় চৰিব দিব নালাগে। গোহালি ঘৰৰ স্থান সময়ে সময়ে পৰিৱৰ্ত্তন কৰিব লাগে। গোহালিৰ মজিয়া, বেৰ, চুক আদিত চূণ, কীটানুনাশক ঔষধ ছতিয়াব লাগে। নিৰ্দ্দিষ্ট সময়ৰ ব্যৱধানত চিকিৎসকৰ পৰামৰ্শ অনুসাৰে জীৱ-জন্তুবোৰক কীটনাশক দৰৱেৰে গা ধুৱাব লাগে।

**সংগ্ৰামক ৰোগৰ আক্ৰমণৰ পৰা মুক্ত ৰখা ঃ** পশুধনসমূহ প্ৰায়েই বিভিন্ন সংক্ৰামক আৰু মহামাৰী ৰোগৰ দ্বাৰা আক্ৰান্ত হৈ মৃত্যুমুখত পৰে। এনেবোৰ ৰোগৰ চিটা ইতিমধ্যে প্ৰস্তুত কৰি উলিওৱা হৈছে। নিৰ্দ্ধাৰিত সময়সূচী অনুসৰি প্ৰতিষেধক চিটা প্ৰদান কৰি পশুধন সমূহক ৰোগমুক্ত কৰিব পাৰি।

**আৰু কিছু স্বাস্থ্যসন্মত প্ৰতিপালন দিহা ঃ** পোৱালিৰ জন্মৰ ১২ ঘন্টাৰ ভিতৰত ফেহু খুৱাব লাগে। খীৰতি গাইৰ ওহাৰ সদায় পৰিষ্কাৰ কৰি ৰাখিব লাগে। সময়ে সময়ে সম্ভাব্য ৰোগবোৰৰ পৰীক্ষা কৰা দৰকাৰ। ভিটামিন আৰু খনিজ পদাৰ্থ মিশ্ৰিত দানা নিয়মিত যোগান ধৰা আৱশ্যক।

**স্বাস্থ্য ৰক্ষাৰ বছৰেকীয়া সময়সূচী ঃ**

| **মাহ** | **ল'ব লগা ব্যৱস্থাসমূহ** |
|---|---|
| জানুৱাৰী | পেলুৰ দৰৱ খউৱা, কীটানুনাশক ঔষধ ছটিওৱা |
| ফেব্ৰুৰৱী | কীটনাশক ঔষধ ছটিওৱা, চবকাৰ চিটা দিয়া |
| মাৰ্চ | পেলুৰ ঔষধ খুউৱা, টেটুৱাৰ চিটা দিয়া |
| এপ্ৰিল | কীটনাশক ঔষধ ছটিওৱা, গলফুলা আৰু জহৰবাত ৰোগৰ চিটা দিয়া |
| মে | যক্ষ্মা, জোনচ্‌, বিনাশ দিয়া (ব্ৰুচেলা) পৰীক্ষা কৰা |
| জুন | চবকাৰ চিটা দিয়া |
| জুলাই | ব্ৰুচেলাৰ চিটা দিয়া (৬ মাহ বয়সৰ পোৱালী) |
| আগষ্ট | কীটনাশক ঔষধ ছটিওৱা |

| | |
|---|---|
| চেপ্তেম্বৰ | পেলুৰ ঔষধ খুউৱা |
| অক্টোবৰ | চবকাৰ চিটা দিয়া |
| নবেম্বৰ | পেলুৰ ঔষধ খুউৱা, কীটনাশক ঔষধ ছটিওৱা |
| ডিচেম্বৰ | যক্ষ্মা, জোনচ্, ব্ৰুচেলা ৰোগৰ পৰীক্ষা কৰা |

*****

**(উৎস ঃ অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট-১৩)**